মইনাহঁতলৈ এবুঁকি পদ্য

ডঃ বসন্ত কুমাৰ বৰা

প্ৰকাশকৰ

‘সঁফুৰা’, ‘মৌচাক’, ‘মইনা’, ‘চান্দমামা’, – এইবোৰ আলোচনীৰ মাজতে ডাঙৰ হৈছিলোঁ । সেই আলোচনীবিলাকে কল্পনাৰ পৃথিৱী এখনলৈ ডাংকোলা কৰি লৈ গৈছিল যেন ! সিবিলাকৰ প্ৰেৰণাতে লিখিবলৈ ল’লোঁ । পঢ়াৰ আমেজ বেলেগ আৰু লিখাৰ আমেজো বেলেগ – দুয়োটাই ভাল পাবলৈ ধৰিলোঁ ।

তেনেকৈয়ে ঘাইকৈ বিভিন্ন আলোচনী-কাকতত লিখা এঁকুকি পদ্য গোটাই ‘মইনাহঁতলৈ এঁকুকি পদ্য’ আগবঢ়ালোঁ । মইনাহঁতলৈ বুলি লিখা পদ্যকেইটা ভাল-বেয়া মইনাহঁতেই বিচাৰ কৰিবাহঁক । তোমালোকে, তোমালোকৰ অভিভাৱকসকলে পদ্যকেইটা পঢ়ি ভাল পালেই আমাৰ শ্ৰম সাৰ্থক হ’ব ।

কিতাপখন প্ৰকাশত প্ৰত্যক্ষ-পৰোক্ষভাৱে সহায় কৰা পৰিয়ালবৰ্গ আৰু অন্য আটাইলৈকে কৃতজ্ঞতা ।

- লিখক

ভিতৰৰ পাতত

১ আহাঁ, আমিও ভাল মানুহ হওঁ
২ আমাৰ ককাৰ কথা
৩ আমাৰ সোণ
৪ সোণটিৰ চিন্তা
৫ সোণটিয়ে নুবুজা কথাবোৰ
৬ সোণটিৰ আৰু এটা চিন্তা!
৭ সোণটিৰ নতুন বছৰৰ চিন্তা
৮ আহিল গৰমৰ বন্ধ
৯ সোণটিহঁতৰ পূজা
১০ সোণকণৰ চিঠি
১১ ভাদৈ আইতা
১২ অসম জুৰি কিম্মান যে শুৰি!
১৩ বনৰজাৰ বিত-চকু
১৪ আধিয়া খৰমৰ কথা
১৫ চহৰত শিয়াল ককাই
১৬ মৌ-শুটিৰ শিক্ষা
১৭ কোনে কি কৰে!
১৮ বাপুটি গাঁৱলৈ যায়
১৯ পকা কঁঠালৰ সোৱাদ
২০ পুৰা
২১ ভেকোলাৰ বিয়া
২২ ভোগালী মাহ
২৩ মইনাৰ সপোন
২৪ মাছৰ লোভত
২৫ ওলট-পালট দহটা পদ্য
২৬ বৰ লোক



ৰং,

তোমালৈ ...

১ আহঁা, আমিও ভাল মানুহ হওঁ

মোৰ দেউতাই খেতি-বাতি কৰে
নিজেই হালখন বাই,
আমাক অতিকৈ মৰম কৰে
খং-ৰাগ সমূলি নাই।
জোনাক ৰাতি চোতালত বহি
কত সাধুকথা কয়,
শিকায় আমাক আঁউসী-জোনাক
দিন-ৰাতি কেনেকৈ হয়।

কাৰো লগত নকৰে দন-হাই
আমাকো উপদেশ দিয়ে,
একো নিবিচাৰে লোকৰপৰা
যি পাৰে আনক দিয়ে।
দেউতাই কয়, "পঢ়া-শুনা কৰা
শিকিবা অনেক কথা,
ভাল কিতাপৰ পাতে পাতে আছে
জ্ঞানৰ ৰতন গঁথা।
পঢ়া-শুনি পিছে জ্ঞানীজন হ'লেই
নহ'ব, - কৰিবা মন,
লগতে হ'বা ভাল মানুহো
নাথাকিলে নাই ধন।
যি কামে আনৰ অপকাৰ কৰে
তেনে কাম নকৰিবা,
নোৱাৰিলে নাই পাৰিলে আনৰ
উপকাৰহে কৰিবা।"
আমিও আহাঁ ভাল মানুহ হওঁ
পৃথিৱী ধুনীয়া কৰোঁ,
হাঁহি-আনন্দেৰে মাটিৰ ধৰাতে
সোণৰ সৰগ ৰচোঁ।

('সঁফুৰা'; অক্টোবৰ, ২০০২)

২ আমাৰ ককাৰ কথা

আমাৰ ককা লথপ্-থপ্
লাখুটি লৈহে যায়,
নোৱাৰে চোবাব টফি, ডাল-মুট
তামোলো খুন্দিহে খায়।

সোঁতোৰা-সুঁতুৰি শৰীৰৰ ছাল
দাঁতবোৰো সৰি গ'ল,
এমূৰ চুলি যদিও আছে
পকি ঢক-ঢক হ'ল।
জহৰ দিনত চোতালত বহি
জোনবাইৰ সাধু কয়,
কেনেকৈ হয় আঁউসীৰ আন্ধাৰ
কেনেকৈ পূৰ্ণিমা হয়।
ৰজা-মহাৰাণী, অসুৰ-দানৱ
চৰাই, শিয়াল, হাতী,
কিম্মানযে সাধু ৰাখিছে মনত
বয়সে দিলেও ভাটি!
মানুহে মানেই ঈশ্বৰৰ ৰূপ
ককাই সদায় কয়,
ঈশ্বৰ, আল্লাক বেলেগে নুপূজি
মানুহক সেৱিলেই হয়।
পঢ়িব-লিখিব নাজানে ককাই
নানা দেশো ফুৰা নাই,
গাৱঁতে কাটিছে ওৰেটো জীৱন
দুসাঁজ দুবেলা খাই।

সৰল ককাৰ বহল মনত
মৰম-চেনেহে ভৰা,
আমাকো ককাই বুজায় সদায়
দহৰ উপকাৰ কৰা।
পঢ়া-শুনা কৰি ভাল মানুহ হ'বা —
ককাই উপদেশ দিয়ে,
সমাজৰ হিত চিন্তে যিজনে
প্ৰকৃত জ্ঞানী সিয়ে।
আহাঁচোন আমি ককাৰ আশীষ
লওঁ সৱে শিৰ পাতি,
যি পাৰো কৰোঁ সমাজৰ ভাল
নিচিন্তি ধৰ্ম-জাতি।

('গণ অধিকাৰ', ১৮ ফেব্ৰুৱাৰি, ২০১৭)

ও আমাৰ সোণ

নাকত এথেপা শেঙুন বোৱাই
ঘনে ঘনে তাৰে বেলুন ফুলাই
টলৌ টলৌকৈ ঘূৰিযে ফুৰে
কোৱাচোন এওঁ কোন ?

মূৰত এপাচি জপৰা চুলিৰে
পোকে খোৱা দুটা আগৰ দাঁতেৰে
স্কুল গ'লেই পেটটো কামোৰা
মা-দেউতাৰ সোন।
ৰাস্তাত দেখিলেই চিনি পাবা তাক
বুটাম নথকা চোলা এটা গাত
কঁকালত থাকে দুখেৰে ওলমি
ফটা এটা হাফপেন,
ভৰিত কদাপি নাথাকে জোতা
ছেণ্ডেলৰো সদায় মাথো ছিগা ফিটা
শুদা ভৰিৰেই জঁপিয়াই ফুৰে
চিন্তা নাই হুল-জেং।
ৰ'বৰ সময় নাথাকে ঘৰত
আহিব মাথোন খাবৰ পৰত
খাবলৈ পালেই আকৌ ওলায়
পঢ়া-শুনা কোনে কৰে,
এন্ধাৰ হ'লে হাত-ভৰি ধুলে
ক'ৰপৰা জানো টোপনিটো আহে
জগাই উঠাই মাকে খুৱাই
ভাতমুঠি কোনোমতে।

ককা-আইতাৰ অতি আদৰৰ
বাইদেউ-দাদাৰো অতি মৰমৰ
ধমকি খালেও ভেঁকৈ কন্দা
এয়াই আমাৰ সোণ,
কেতিয়াবা যদি ৰাস্তাত পোৱা
মাৰ্বল খেলি ধুলি লেটি লোৱা
বুজাই-বঢ়াই গধূলিৰ আগেয়ে
ঘৰলৈ আনিবাচোন !

('সঁফুৰা'; জুলাই, ২০০২)

৪ সোণটিৰ চিন্তা

সেইদিনা সপোনতে সোণটিয়ে গৈ,
পলকতে জোনবাইৰ দেশ পালেগৈ।
টিপ্‌টাপ্-টিপ্‌টাপ্ চকু টিপিয়াই,
ফুৰি আছে তৰাবোৰ গীত গাই গাই।

সোণটিক দেখা পাই তাৰে দুটামানে,
লৈ গ'ল জোনবাইৰ ঘৰটোৰ পিনে।

জোনবায়ে সোণটিক যোৱা দেখা পাই,
দৌৰি আহি টপ্‌কৈ দিলে চুমা খাই।
সুধিলে খবৰ-খাতি পৃথিৱীৰ পৰা,
বহুৱালে মৰমতে, পাৰি বৰপীৰা।
জোনবায়ে সোণটিক আঙুলিত ধৰি,
গোটেই সৰগখন দেখুৱালে ফুৰি।
তিৰবিৰ তৰাবোৰ জাকে জাকে আহি,
সোণটিৰে মৰমেৰে সখি পাতিলেহি।
হাঁহি-মাতি সোণটিক বহু কথা ক'লে,
কোনোটোৱে আহি আক' আকোঁৱালি ল'লে।
বিধে বিধে খোৱা-বোৱা দিলে যতনাই,
ভৰি গ'ল সোণটিৰ পেট খাই খাই।
সকলোৱে বাৰে বাৰে সোণটিক ক'লে,
মাজে মাজে সৰগলে' আহি থাকিবলে'।
অহাৰ পৰত তাক সবে বেঢ়ি ল'লে,
নগ'ল তাৰোঁযে মন গুচি আহিবলে'।
এপাকত সোণটিয়ে ভাবি-গুণি লৈ,
মাতিলে সকলোটিকে তাৰো ঘৰলৈ।
তিৰবিৰ তৰাবোৰ আৰু জোনবাই,
আহিব জৰুল যেবে আজৰি ওলাই।

সমাজিকো শেষ হ'ল, হ'ল ৰাতিপুৱা,
সোণটিৰ হ'ল পিছে তৰণি নোহোৱা।
ভাবি-গুণি সোণটিয়ে ওৰ পোৱা নাই,
যদিহে আলহী হৈ আহে জোনবাই।
কোনোবা এদিন সিহঁতৰ ঘৰলৈ,
দিবনেকি খাবলৈ গুড়-চিৰা-দৈ!
লুচি খাই ভাল পালে সেয়াও ভাজিব,
বজাৰৰ ৰসগোল্লা জানো ভাল পাব?
ফল-মুলো কিবাকিবি আনি থ'ব কিনি,
ভাল পাব জোনবায়ে সেয়াহে কিজানি।
ভাবি-গুণি চাবাচোন তুমিও পাৰিলে,
ভাল হ'ব সোণটিয়ে কি কি কৰিলে।
আহে যদি কেতিয়াবা জোনবাইজনী,
নহ'লেযে সোণটিৰ হেৰাইছে টোপনি।

('গণ অধিকাৰ', ১৮ মাৰ্চ, ২০১৭)

৫ সোণটিয়ে নুবুজা কথাবোৰ

কিছুমান কথা ভাবি সোণটিয়ে নাপায় কদাপি ওৰ,
কিতাপতো চোন নাপায় বিচাৰি এনেকুৱা কথাবোৰ!
পঢ়াৰ মেজত বহিলেও তাৰ কিতাপত নবহে মন,
বুজি নোপোৱা কথাবোৰ আহে মনলৈ ঘনে ঘন।
সুধিব খুজিলে দেউতাক কয়, মাৰক সুধিবি গৈ,
মই ব্যস্ত আছোঁ, আজৰি পৰত মাৰেই বুজাব কৈ।
মাকৰো দেখোন কামেই কাম মুঠেই সময় নাই,
পুৱাই উঠি ৰাতি দুপৰলৈ দৌৰি থাকোঁতেই যায়।
বাইদেৱে পঢ়ে ওপৰৰ শ্ৰেণীত পঢ়াৰ হেঁচা বৰ,
টিউশ্বন কৰি ভাগৰি-জুগৰি সন্ধিয়াহে সোমাই ঘৰ।
সোণটিয়ে সেয়ে মোকেই সুধিলে সিদিনা বাটতে পাই,
নুবুজালে মই বেচেৰাক হেনো অন্য উপায় নাই!
পিছে কিযে কৰোঁ, ময়োচোঁ নাজানো — সোণটিৰ প্ৰশ্নবোৰ,
যদিহে জানা উত্তৰবিলাক, কৰাচোঁ সহায় মোৰ।
সোণটিয়ে সুধিছে, খাল-ডোং যেবে শুকাই খৰাং হয়,
গছৰ আগৰ নাৰিকলটোত কেনেকৈ পানী ৰয়!
নাজানে সোণটিয়ে, কেলেইনো বাৰু তিৰোতা ছাগলীবোৰে,
থুঁতৰিত একোঁচা দীঘলকৈ দাড়ি ৰাখি লৈ ঘূৰি ফুৰে!

মানুহৰ দুখন, জন্তুৰ চাৰিখন ঠেঙেৰেই চলে কাম,
কেৰেলুৱাৰ নো বাৰু এশখন ঠেঙৰ তেহেলৈ কি আছে কাম!
আৰু এটা কথা নাজানে সোণটিয়ে, নাই পোৱা ভাবি-গুণি,
কুকুৰাৰ পৰা কণীটো হ'লনে কণীৰপৰা কুকুৰাজনী!
যদিহে জানা উত্তৰবিলাক দিবাচোন পঠিয়াই,
সমস্যাত পৰিছোঁ সহায় কৰিবা, কাবৌ কৰিছোঁ ভাই ॥

('সঁফুৰা'; এ'প্ৰিল, ২০১৮)

৬ সোণটিৰ আৰু' এটা চিন্তা !

ভাবি ভাবি সোণটিয়ে ওৰ পোৱা নাই,
ইম্মান ৰং ফুলবোৰে ক'ৰপৰা পায় !
কিমানযে আছে ফুল, সিমানে ৰহণ,
ফুলি থাকে জক্‌মক্‌, পোহৰাই মন ।
ৰঙা, নীলা, হালধীয়া, বেঙেনা-বুলীয়া,
সুমথিৰা, শুকুলা, আকাশী, গুলপীয়া ।
ভাইটিয়ে জানে হেনো, ক'লা ফুলো আছে,
পঢ়িলেও কিতাপত দেখা নাই পিছে ।
সেউজীয়া গছতেই যদিও ওলায়,
ক'ৰপৰা ফুলে জানো ৰংবোৰ পায় !
আনেনেকি পখিলাই আকাশলে' গৈ,
ভাগে ভাগে ৰংবোৰ আথে-বেথে লৈ !
ঘূৰি ফুৰি ফুলে ফুলে ৰহণ বিলাই,
যাক লাগে যিটো ৰং, তালিকাত চাই !ক্‌
ভুন ভুন কৰি কৰি বাৰু ভোমোৰাই,
সানেনেকি ৰংবোৰ ফুল চাই চাই !
টিক্‌টিকিয়াকে' ৰঙা মৌ-পিয়াবোৰে,
হ'ব পাৰে, ৰংবোৰ আঁকি আঁকি ফুৰে ।
আৰু আছে মৌ-মাখি, অকণি অকণি,

দিয়েনেকি ৰংবোৰ ভাগে ভাগে আনি!
ভাবি ভাবি ঘূৰি যায় সোণটিৰ মূৰ,
চাবনেকি দেউতাকে সুধি কথাবোৰ!
চাৰকো দেখোন পাৰি নহ'লে সুধিব,
কথাবোৰ তেওঁ ধুনীয়াকে ভাঙি ক'ব।
জানানেকি কথাবোৰ যদি কোনোবাই,
পঠিয়াম সোণটিক, দিবাচোঁ বুজাই।

াগষ্ট, ২০১৭)

৭ মোণটিৰ নতুন বছৰৰ চিন্তা

কিমান দিননো গ'ল !
আহিছিলহে সিদিনা নতুন বছৰটো
যাবৰেই দেখোন হ'ল !!

টেবুলত বহি ভাবে সোণটিয়ে
চাই থাকোঁতেই পলকতে দেখোঁ
দিনবোৰ বাগৰি গ'ল,
কৰিম বুলি ভবা কামবোৰ চোন
একোৱেই কৰা নহ'ল।
ভবা কথা ভবাতেই ৰ'ল ।।
নতুন বছৰ আকৌ আহিছে
সোণটিয়ে সেয়ে ভাবিছে-গুণিছে
কৰিছে নতুন পণ,
অলাগতিয়াল কথাবিলাকত
নিদিবলৈ' আৰু মন,
নিজকে গঢ়িব উপযুক্ত কৰি
গোটাবলৈ' জ্ঞান-ধন,
চৰিত্ৰ গঢ়াতো মনোযোগ দিব
মিছা, হিংসা, তৰ্ক - সকলো এৰিব
সজ হ'বলৈ, সৎ হ'বলৈ
কৰি যাব প্ৰাণপণ।
ঈৰ্ষা-বিদ্বেষ এৰিব সমূলি
ভাবিব সবাকে আপোন বুলি
চিন্তিব সবাৰে হিত,

পাৰিলে আনৰ উপকাৰ কৰিব
ঈশ্বৰকো নিতৌ প্ৰাৰ্থনা কৰিব
কেৱল মাথোন মৰম-স্নেহহে
থাকে যেন পৃথিৱীত।
নতুন বছৰত পৃথিৱীখন যেন
সবাৰে বাবে সুখৰ হয়,
বেয়াবোৰ আঁতৰি পৃথিৱীখনত
মাথো সুখ আৰু শান্তিহে ৰয়!

(অপ্ৰকাশিত)

৮ আহিল গৰমৰ বন্ধ

পালেহিয়ে জুন মাহ হ’ল জহকালি,
গৰমৰ বন্ধও আকৌ পালেহি ।
বৈ আছে সোণটিয়ে আঙুলি পাবত,
দিন বাৰ গণি গণি কত হেঁপাহত ।

বন্ধত এইবাৰ কি কি কৰিব,
কি কি খেলিব আৰু ক'লে ক'লে যাব।
দিনৰ দিনটো পাব আজৰি সময়,
'ঘৰৰ কাম'ৰো আৰু নাথাকিব ভয়।
আম, জামু, পনিয়ল, লেটেকু, টকৌ,
বিচাৰি ফুৰাৰ মজা আহিব আকৌ।
ওলাব পাৰিলে এৰি পুৱাতেই ঘৰ,
পাতিব ক্ৰিকেট মেচো দহ অ'ভাৰৰ।
আগতেই সকলোকে থ'ব সিয়ে কৈ,
বেট-বল লৈ যেন আহে সাজু হৈ।
আৰু যাব ফুৰিবলে' ঘৰত মামাৰ,
ধৰিব খালৰ মাছ, ফুৰিব পথাৰ।
নদীতো সাঁতুৰি চাব মামাৰ লগত,
লাগিব কিমান মজা ভৰ দুপৰত।
কৈ চাব দেউতাকো যদি চুটি লৈ,
এদিনমানৰ বাবে অ'ফিছত কৈ।
ধলাৰ দলংখনো আহিবগে' চাই
দুপৰৰ ভাতসাঁজো হোটেলতে খাই।
পিছে এটা কথা ভাবি সোণটিৰ দুখ,
ভাগ্যত লিখা নাই বেছিদিন সুখ।

বন্ধ হ'লেই শেষ স্কুল খুলিব,
চাই থাকোঁতেই আহি পৰীক্ষাও পাব।
পৰীক্ষাবিলাক নাপাতিলে কিনো হয়,
কিয়নো খুৱাই বাৰু সিহঁতক ভয়!
বুজাবাচোঁ সোনটিক পাৰিলে অকণ,
নপঢ়িলে নিমিলিব জ্ঞানৰ ৰতন।

('গণ অধিকাৰ'; ১০ জুন, ২০১৭)

৯ সোণটিহঁতৰ পূজা

জানানে সোণটিহঁতৰ আঁচনিৰ কথা
পূজাতয়ে পাঙিছিল কৰি গুণা-গঁথা ?
সকলোৱে ভাবিছিল 'প্ৰতি বছৰৰ দৰে
পূজাচোন আহিবৰে হ'ল,
পূজাত কি কি ল'ব, কোনদিনা কি খাব
তালিকাতো কৰিবৰে হ'ল !'
সোণটিয়ে এইবাৰ থৈছিল ভাবি,
খৰছ নকৰে পইচা কিনি হাবি-জাবি ।
কৈছিল সোণটিয়ে, 'বানপানী হে চোন
অসমৰ কঁকাল ভাগিল,
কিমানযে মানুহৰ ঘৰ-বাৰী ভাঙি নিলে
জীৱনৰ ঠেৰুৱে ছিগিল ।
ভঁৰালৰ ধান গ'ল, গোহালিতে গৰু ৰ'ল
বালিয়ে পুতিলে ঘৰ-বাৰী,
খহনীয়াই কাঢ়ি নিলে খেতি-কৰা মাটি
মানুহো মৰিল দুই-চাৰি ।
সেইবাবে জানিচাই পূজা বুলি এইবাৰ

অকণোৰে ভাল লগা নাই,
পিষ্টল, বেলুন আৰু সুহুৰি কিনিম বুলি
মই হ'লে ভাবি থোৱা নাই।'
বন্ধুহঁতৰ স'তে সোণটিয়ে পাঙিলে আঁচনি,
খৰছ কৰাতকৈ এইবোৰ কিবা-কিবি কিনি,
সকলোৰে মিলি-জুলি তুলি লৈ দান-বৰঙণি,
সিহঁতৰ লগৰেই ফজলক দিলে আনি

বানপানীত উটি যোৱা সকলো কিতাপ-বহী কিনি।
সিহঁতৰ কথা শুনি সকলোৱে শলাগিলে
ভাল কাম কৰা বুলি ক'লে,
দেউতাক-মাকহঁতে, সিহঁতৰ সকলোৰে
যি পাৰে সহায়ো কৰিলে।
পাৰা যদি তোমালোকে সোণটিহঁতৰ দৰে
চাবাহঁকচোন ভাবি-গুণি,
আতুৰজনক যদি পাৰিলে সহায় কৰা
ভগৱানে ভাল পাব শুনি।

('নতুন ৰংমেলা'; অক্টোবৰ, ২০১৮)

১০ সোণকণৰ চিঠি

সোণকণ কণমানি
বহি আছে মন মাৰি
খেলিবলে' মন নাই
টেলিভিছন কোনে চায়
শুনাৰো সময় নাই আইতাৰ সাধু।
তিনিদিন তিনিৰাতি খোৱা-শোৱা এৰি
ভাবি আছে কথাবোৰ উত্তৰ বিচাৰি :

ফুলবোৰ আৰু
সিহঁতৰ স'তে
মনে মনে কথা পাতি ফুৰা
পখিলাবিলাকে,
বিধে বিধে ৰংবোৰ ক'ৰপৰা পায়!
সাতৰঙী ৰামধেনু সি চিনি পায়
মাকেও কে'বাবাৰো দিছে দেখুৱাই,
ৰাতিপুৱা-আবেলি
পশ্চিম-পূবত
বাৰিষাৰ বতৰত
দেখিছে ওলায়।
আহে নেকি ফুল আৰু পখিলাবিলাকে
বাছি বাছি ভাল লগা ৰংবোৰ লৈ,
মনে মনে চুৰ কৰি তাৰেপৰা গৈ ?
খুজিলে দিবনে বাৰু সোণকো অকণ
ৰঙা-নীলা-হালধীয়া ৰঙৰ টুকুৰা,
জ্যামিতিৰ বাকচত থ'বহি ভৰাই,
মন গ'লে চাব উলিয়াই,
মাজে মাজে সানি ল'ব গালত ঘঁহাই;
কান্দি কান্দি ভন্টিয়ে যদিহে বিচাৰে

উলিয়াই দিব সি তাৰে এটুকুৰা।
মুঠতে লাগেই তাক অকণমান ৰং,
কাকোৱেই সোধাৰ ভয় কৰে বুলি খং।
ভাবি-গুণি সোণকণে তত পোৱা নাই,
মোলৈ চিঠি লিখি দিছে পঠিয়াই;
কথাবোৰ খেলি-মেলি, ময়ো বুজা নাই।
কাৰৌ কৰিছোঁ ভাই
জানা যদি কোনোবাই কৰাছোঁ সহায় ।।

('সঁফুৰা'; জানুৱাৰি, ২০০৩)

১১ ভাদৈ আইতা

শুনিছানে নাই? হে'ৰা, শুনিছানে নাই?
ঘুনুক-ঘানাককৈ ওলাই ওলাই
গাওঁখন গ'ল দেখোঁ ৰজনজনাই,
তিনিদিন তিনিৰাতি হ'ল —
ক'লে গ'ল জানো পাই, অক'মানি ঘৰখন এৰি
ভাদৈ আইতাজনীক ক'তোৱেই পাবলৈ নাই।

এমোকোৰা তামোলেৰে সেলেঙি বোৱাই
ইঘৰ-সিঘৰ কৰি, ইটো-সিটো কাম কৰি
চলিছিল আইতাই - ৰাই-ৰুই নাই,
সেইহেন আইতাজনীৰ
নাই বোলোতেই একো, খবৰেই নাই।

দুবেলা দুসাঁজ ৰান্ধি খাইছিল আইতাই
কেওৰে লগত নাই একো দন-হাই
খেনোৰ ঘৰত বিয়া, খেনোৰ জোৰোণ দিয়া
খাটিছিল আইতাই দিন-ৰাতি নাই,

নাছিল কদাপি দুখ - সদায়েই হাঁহি মুখ
থাকিলেও কেতিয়াবা আধাপেটি খাই ।

কেঁচুৱা-ডাঙৰ নাই - সকলোকে ভাল পায়
বিপদে-আপদে সবে আইতাক পায়,
ভাওনা, সকাম, সভা, শৰাধ, ভোজৰ ৰভা
সকলোতে আইতাই চাব লাগে ফঁহিয়াই

কামবোৰ ঠিকে-ঠাকে হৈছেনে নাই।
সকলোৰে আদৰৰ - সেইযে আইতাজনী
নাই বোলোতেই চোন ক'তোৱেই পাবলৈ নাই।

চাবাচোন তোমালোকে চকু মাৰি ইফালে-সিফালে
কোনে জানে যদি - ক'ৰবাত ঠেহ ধৰি
ভাদৈ আইতাজনী আছেগৈ লুকাই,
সুখে-দুখে সকলোতে আইতাজনী নাথাকিলে
বৰকৈ দুখ লাগে পাই।
মৰমৰ আইতাজনী; এনেকৈ আমাক এৰি
নাযাবা হেৰাই।

('গণ অধিকাৰ'; ৩ ডিচেম্বৰ, ২০১৬)

১২ অসম জুৰি কিমান যে গুৰি !

দেখিছানে নাই, খাইছানে নাই পিঠাগুড়ি, সান্দহগুড়ি,
আৰু যে আছে এবিধ গুৰি ? — সেয়া হ'ল গছৰ গুৰি ।

যতমানে আছে গছ-গছনি, ততমানে আছে গুৰি,
ফুৰিলে শুনিবা কত ঠাই আছে গোটেই অসম জুৰি !
শিৱসাগৰত আমগুৰি আছে, আম গছ দেখা নাই,

শিমলুগুৰিৰ ইষ্টেচনত শিমলু আছেনে নাই ?
নগাঁৱৰ ফুলগুৰিৰ ধঁপাত বিচাৰি খাওঁ,
কঁঠালগুৰিৰ বিদ্যুতেৰে বিজুলী-বাতি জ্বলাওঁ ।
থেকেৰাগুৰিত ভঁৰাল পাতি ৰাখিছে ডিজে’ল-তেল,
দেখা নাই জানো পথৰ দাঁতিত ডাব-নাৰিকলৰ মেল ?
চামগুৰিত দেখা পোৱা নাই এডালিও গছ-চাম,
ডিমৰুগুৰি পালেই জানিবা, নগাঁও চহৰ পাম ।
ভোমোৰাগুৰিৰ দলঙত উঠি ব্ৰহ্মপুত্ৰ পাৰ হ’লে,
সিপাৰলে’ গৈ জামুগুৰি পাবা চতিয়াৰ ফালে গ’লে ।
মৰিগাঁৱৰ বগৰীগুৰিৰ বালিয়া বগৰী খাই,
মাঘৰ বিহুত আইঁতগুৰিৰ ম’হ-যুঁজ আহিবা চাই ।
দেৰগাঁৱত আছে নাৰিকলগুৰি, চিৰাঙত শিলিখাগুৰি,
যোৰহাটত আক’ নাই কেন্দুগছ, আছে মাথোঁ কেন্দুগুৰি ।
ডিব্ৰুগড়ত ঔ-গুৰি আছে, বাক্সাত বকুলগুৰি,
শিৱসাগৰত লুইতৰ পাৰত পাবাগে’ তেঁতেলীগুৰি ।
কৰ্দৈগুৰি তিনিচুকীয়াত, গোলাঘাটত গমাৰিগুৰি,
আৰু যে আছে কিমান গুৰি, শেষেই নহ’ব ঘূৰি ।
বনাবাহঁকচোন তালিকা এখন যিমান বিচাৰি পোৱা,
গছৰ গুৰিৰে অসমৰ যত ঠাইৰ নাম আছে থোৱা ।

(‘সঁফুৰা’; জুন, ২০১৭)

১৩ বনৰজাৰ বিত-চকু

শুনাচোন কথা,
লাগিছেযে লেঠা,
বনৰ ৰজাৰ হেনো ঘূৰি আছে মাথা।
কি ক'লা ? শুনা নাই ?
কিনো কথা কোৱা পাই!
বাঘ বনাধিপতিৰ বিত-চকুজোৰ
সিদিনাযে নাইকীয়া হ'ল ?
ৰাখোঁতেই খুলি হেনো
কোনে লৈ গ'ল জানো
'কাজিৰঙাৰ বাতৰি'খন
আধাখিনি নপঢ়াকে' ৰ'ল।
দেওবাৰে পুৱা হেনো চাহকাপ খাই
বাতৰি-কাকতখন লৈ যতনাই
পঢ়োঁ বুলি কথাবোৰ আঁতি-গুৰি মাৰি,
বাঘিনীক বোলে, "হে'ৰা আনাচোন গৈ
বিত-চকুজোৰ মোৰ ততালিকে লৈ
শোৱনি কোঠাতে আছে, যোৱা লৰ মাৰি।"

তেবেসে পৰিল ধৰা - নাই বিত-চকু
শুনিয়ে মেজত মাৰি এটা ভীম-ভুকু
বনৰাজে বোলে, “কোন আছ, চাপি আহ,
নিয়ে মোৰে বিত-চকু, কাৰ এনে সাহ!”
লাগি গ'ল হুৱা-দুৱা সবাৰ মাজত
সকলোৱে ভাগে ভাগে গ'ল,

পবিতৰা, কাজিৰঙা, মানস, ওৰাং
কাৰো তত নাইকীয়া হ'ল।
ডালে ডালে কেৰ্কেটুৱা, পানীত কুম্ভীৰ
আকাশত বগলী-চিলনী,
হৰিণাই বিচাৰিছে মাটিয়ে মাটিয়ে
এন্দুৰেও চাই মাটি খান্দি।
কাকততো দিছে হেনো
পাইছানে নাই জানো
যিয়ে পাৰে আনি দিব বিত-চকুজুৰি,
পুৰস্কাৰো দিব বোলে
যি লাগে খুলি ক'লে
ৰজাৰ ভঁৰাল আছে ধনে-সোণে ভৰি।
ৰাখিবা মনত তেনেহ'লে
কেনেবাকৈ যদি গম পালে
বিত-চকুজোৰ আছে ক'ত কেনেকৈ,
নহ'লে ৰজাই খং খালে
সৱকে সাঙুৰি হালে হালে
পঠিৱাব ততালিকে পোতা-শাললৈ,
কেনেবাকৈ তেনেকুৱা হ'লে
নাসাৰিবা চিঞৰিলে হায়ে-বিয়ে।

('সঁফুৰা', জানুৱাৰি, ২০১৮)

১৪ আধিয়া খৰমৰ কথা

চাপি আহাঁ, সোণ-হীৰা-জোন-মণি-লাড়ু,
কওঁ এটা সাধুকথা, কোনে শুনা বাবু ?
আছিল দুজন বন্ধু কৰাইচ-কৃপণ,
নিজ নিজ উপায়েৰে ঘটিছিল ধন।
খাৰু-কেৰু যতমানে জোলোঙাত লৈ,
বেচিছিল এজনে ঘৰে ঘৰে গৈ।
সূতখোৰ মহাজন আছিল সিজন,
কোঢ়োনাৰে সূত খাই ঘটিছিলে ধন।
খাৰুৱালা বন্ধুৱে ভাবি-গুণি লৈ,
ক'লেহি এদিনাখন সিজনক গৈ।
ভাবিছিলোঁ কথা এটা, কৰোঁ নিবেদন,
যদি আমি ভাগ কৰি আধা আধা ধন।
খৰম এযোৰ লওঁ আধিয়াকে কিনি,
যাৰ হ'ব দৰকাৰ, সিয়ে যাব পিন্ধি।
ভৰণিও হ'ব কম, বাচিবও ধন,
চলিব দুয়োৰে কাম, যদি কৰা মন।
ভাবি চাই মহাজনে বোলে ঠিক কথা,
খাৰুৱালা দোস্ত তোৰ, মানি গ'লোঁ মাথা।

সেয়ে হওক, কিনা যাওক খৰম এযোৰ,
যেবে লাগে তই ল'বি, যেবে লাগে মোৰ।
খৰমো আহিল আৰু কথা মতে কাম,
দিলে ৰূপ আধা আধা দুয়ো মচি ঘাম।
এবেসে লাগিল পিছে কথা পয়মাল,
খৰমে আনিলে মাতি মহা জঞ্জাল।
খাৰুৱালা যাব লাগে নিতে ঘৰে ঘৰে,
ভৰিৰ খৰমযোৰ কেনেকে'নো এৰে!
চোতালে চোতালে ঘূৰি ঘঁহা-ঘঁহি খাই,
খৰমৰ প্ৰাণ-বায়ু হ'ল যায়-যায়।
মহাজনে পিছে বহি বহি সূত খাই,
খৰম পিন্ধাৰ পাল নাপাইহে নাপায়।
ভাবি-গুণি মহাজনে - কি কৰা যায়,
শেষত এদিন গৈ ওলাল উপায়।
খাৰুৱালা যেবে শোৱে নিশা খাই ভাত,
পিন্ধি তেওঁ দুভৰিত খৰম দুপাত।
চুচুক-চামাককৈ বাজলে' ওলায়,
ওৰে ৰাতি ঘূৰি ফুৰে টোপনি নাযায়।
লাগিবই উলিয়াব দাম খৰমৰ,
গণি গণি আধা ৰূপ দিছে মৰমৰ।

দিনে-ৰাতি দুজনৰ সোমাই ভৰিত,
খৰমেও বোলে দেখোঁ কথা বিপৰীত।
অচিৰে থাকিল ছিগি আধিয়া খৰম,
এবে পালে মহাজনে আনন্দ পৰম।
ঘূৰি ফুৰিবলৈ' আনজনে পাই দুখ,
দুদিন পিছতে আহি ওন্দোলাই মুখ।

বোলে, হে’ৰা মহাজন, আহাঁচোন পুনু,
আধিয়া খৰমযোৰ পুনৰাই কিনোঁ।
চলিব দুয়োৰে আক’ যেতিয়াই লাগে,
দিওঁ ৰূপ আধা আধা নিজ নিজ ভাগে।
জাঁপ মাৰি মহাজনে বোলে ৰাম ৰাম,
গামোচাৰে মোহাৰিলে কপালৰ ঘাম।
আধিয়া খৰম আৰু নিকিনোঁ কদাপি,
নোৱাৰো ফুৰিব আৰু পিন্ধি ৰাতি ৰাতি।
লাগে যদি কিনি লোৱা নিজেই এযোৰ,
খৰমৰ দৰকাৰ নাই একো মোৰ।
খৰমৰ কথা আৰু ইয়াৰ পিছত,
কদাপি ওলোৱা নাই দুয়োৰে মুখত।
আধিয়া খৰমো আৰু কিনা হোৱা নাই,
য’লে যায় দুয়ো খালী ভৰিৰেই যায়।

(‘সঁফুৰা’; ফেব্ৰুৱাৰি, ২০১৮)

১৫ চহৰত শিয়াল ককাই

শীতকালি দেওবাৰ এটা লৈ চাই,
ভাবি-গুণি, পিন্ধি-উৰি শিয়াল ককাই,
ফুৰিবলে' মন কৰি শিয়ালীক লৈ
পুৱাতেই ভীমকল-পিঠাগুড়ি খাই।
চহৰলে' যাব বুলি ৰিক্চা ৰখাই,
উঠি ল'লে জাপঁ মাৰি, বোলে হে'ৰা ভাই,
লৈ ব'লা ফটাফট চহৰৰ পোনে
ঘূৰি-ফুৰি চাম সব, আজি কোনে পাই।
কুটকুট-কাটকাট ডালমুট খাই,
বহি গ'ল আৰামত ভৰি নচুৱাই,
হাত দাঙি ৰাখি লৈ ট্ৰান্সপ'ৰ্ট বাছ
যেবে পালে ষ্টেচন, নামিল ৰখাই।
পল্টন বজাৰত ৰে'লগাড়ী চালে,
উকি শুনি শিয়ালীয়ে ভয়ো বাৰু খালে,
ওচৰৰ হোটেলত বহি লৈ ফটাফট
কচুৰি, পৰঠা, চাহ দুয়ো খাই ল'লে।
শৰাইঘাটলৈ' গৈ দলংখন চালে,
মূৰ-ঘুৰি শিয়ালীয়ে বমিও কৰিলে,

কোকাকোলা খাই হ'ল কোনোমতে থিৰ
সিকি এটা দলিয়াই সেৰাও জনালে।
শিয়ালীয়ে কুটুৰিলে, শুনিছেনে নাই,
আহিলোহেঁতেন যদি কামাখ্যাও চাই,

শিয়ালৰ যদিওবা নাছিল মানস
আহিলগৈ তাৰো পৰা উপায় নাপাই।
ভাবি-গুণি এইবাৰ, কি কৰা যায়,
ট্ৰেকাৰত উঠি বোলে, যাব দিয়া ভাই,
আবেলি হ'বৰে হ'ল, লাগিছে ভাগৰ
ঘূৰি যাব লখৰাত চাৰ্কাছ চাই।
গেলাৰীত বহি লৈ দুয়ো ঠেং তুলি,

আৰামত চাৰ্কাছ চাবলৈ বুলি,
এচকীয়া চাইকেল চলা দেখা পাই
আপোন পাহৰা হৈ দিলে হাত-তালি ।
অতপৰে কথাবোৰ চলিছিলে ভাল,
এবেসে লাগিল যেন কথা পয়মাল,
বনৰ ৰজাকো দেখোঁ আছে বান্ধি থোৱা
ছাগলী-গৰুৰ দৰে পিন্ধাই এৰাল ।
সিংহ ৰজায়ো দেখোঁ আছে তাপ মাৰি,
সামান্য মানুহে আছে জোকাৰি এচাৰি,
মানুহৰ কথামতে দেখুৱাই খেল
মানুহকে হহুঁৱাইছে নেগুৰ জোকাৰি ।
ভয়ত বিতত হৈ শিয়াল ককাই,
বোলে আৰু থাকিবৰ সকামেই নাই,
বৰপানী-সৰুপানী সকলো ওলাল
বিম্বা-শৱদে দিলে দৌৰ জঁপিয়াই ।
বোলে কেনেবাকে' যদি তাকো ধৰি থয়,
এচাৰি জোকাৰি তাকো দেখুৱাই ভয়,
ৰাখি থয় চাৰ্কাছতে দেখুৱাই খেল
নোৱাৰিলে মাৰ-ধৰো কৰিব নিশ্চয় ।
শিয়াল-শিয়ালী দুয়ো লৰৰি পলাই,

দীপৰ বিলৰ ফালে জংঘল পাই,
দুখ-ভাগৰত দুয়ো লবেজান হৈ
তত পালে দুলোটাকে' চেঁচাপানী খাই।
কাণত ধৰিলে দুয়ো, আৰু কোনোকালে,
নকৰোঁ নকৰোঁ মুখ চহৰৰ ফালে,
জংঘল-হাবিয়েই থাকিবলে' ভাল
থাকিম লঘোণে-ভোকে খাবলে' নাপালে।
বনৰ জন্তু আমি হাবিয়েই ঘৰ,
মিলি-জুলি থাকোঁ সবে নাই ভিন পৰ।

('গণ অধিকাৰ'; ৬ মে'ই, ২০১৭)

১৬ মৌ-গুটিৰ শিক্ষা

সেইদিনা উৰি আহি এটি মৌ-গুটি,
সুধিলেহি কাণে কাণে মাৰি খুটি-নাটি ।
'পাৰিবানে ক'ব হে'ৰা কোনফালে যাম,
অকণমান মৌ বাৰু কোনফালে পাম ?'

চক্ খাই মই বোলো — 'কনমাণি ল'ৰা,
নাৰাখানে তুমি বাৰু একোৰে বতৰা ?

ঘৰে ঘৰে ফুল পাবা, ফুলে ফুলে মৌ,
পকা ফল পালে চাবা — ৰসে চৌ চৌ ।
খেতিৰ ঋতুত যদি পথাৰলে’ যোৱা,
শেষেই নহ’ব মৌ যতমানে খোৱা ।’
মৌ-গুটিটোৱে ডাবি মাৰি ওলোটাই,
ক’লে বোলে - মোৰ হেনো একো জ্ঞান নাই ।
ঘৰে ঘৰে আছে ফুলে — সেয়া সিয়ো জানে,
থাকিলেও মৌ তাত কেনেকৈনো আনে !
ফেনাইল, হাৰ্‌পিক আৰু মহ-খেদা ধূপ,
খাওঁ খাওঁ কৰি কেনে ভয়ংকৰ ৰূপ !
কৰিব নোৱাৰি মুখ পথাৰৰ পোনে,
মানুহে ঢালিছে নিতে সাৰ মোনে মোনে ।
ফুলে-পাতে ছটিয়াই যতমানে পাই,
পোক মৰা দৰৱৰ সংখ্যা-সীমা নাই ।
ভুলতো কৰিলে মু — মৃত্যু নিৰ্ধাৰিত,
ভাবিলে শুকাই তাৰ কণমানি চিত ।
ফল-মূল দেখিলেও লাগে হেনো ভয়,
কিবা বোলে হৰ্‌ম’ন তাতো মাৰি থয় ।
মিঠাই-গুৰতো হেনো বজাৰত পোৱা,
কত কিনো থাকে তাতো মিহলাই থোৱা ।

এইবুলি মৌ-গুটি গুচি গ'ল উৰি,
যাব হেনো ক'ৰবাত দূৰলে' বিচাৰি।
ভেজাল নোহোৱা মৌ পায়নেকি চাই,
য'ত বেছি মানুহৰ অহা-যোৱা নাই।
ইফালে থাকিলোঁ মই ভেবা লাগি ৰৈ,
কণমানিটোৱে যত কথা গ'ল কৈ —
সঁচাকৈয়ে কথাবোৰ চাই ভাবি-গুণি,
চিন্তাত ঘূৰাল মাথা, হেৰাল টোপনি।
ভাবি-গুণি পালোঁ এই কথাষাৰি মই,
চাবাচোন চিন্তা কৰি ওলালে সময় —
প্ৰকৃতিৰে মিলি-জুলি থাকিলেহে ভাল,
কৃত্ৰিমতাৰ স'তে আহে এসোপা জঞ্জাল।

('সঁফুৰা'; জুলাই, ২০১৮)

১৭ কোনে কি কৰে !

কাউৰীজনীয়ে কৰে কা কা কা,
পকা আমে কৰি আছে মোক-খা মোক-খা ।
বান্দৰ ভায়াই কৰে খেক খেক খেক,
পাকঘৰত সোমাবলে' ৰাস্তাটো ঠেক ।
ভোক লাগি বাঘে বোলে হাওঁ হাওঁ হাওঁ,
পেটত কুমটি লৰে, যাকে পাওঁ খাওঁ ।
মহটোৱে কয় শুনা কোন কোন কোন,
বহি থাক চুপ-চাপ, মই খাওঁ খুন ।

হাঁহ ফুৰে থেপ-থেপ, কৰি পাঁক পাঁক,
মই পাৰোঁ নিতৌ কণী, লাগে কাক কাক?
খিটিং শুনি সাৰ পাই কুকুৰে চিঞৰে ভুক,
চকীদাৰী কৰোঁ ৰাতি ৰাতি, নধৰিবি ভুল-চুক।
পাৰটোৱে ঘনে ঘনে কয় লাক-পাক-কুৰ,
মই পাৰোঁ কণী, কেৱে নকৰিবি চুৰ।
মেকুৰীজনীয়ে শুনা কৰে মেও মেও,
জানো মই ভজা-মাছ থপিয়াবৰ ছেও।
সন্ধিয়া শিয়ালে বোলে হোৱা হোৱা হোৱা,
মোৰ জাতি-ভাইহঁক — ক'ত আছা কোৱা।
উৰিছে সময় চোৱা টিক্ টিক্ টিক্,
কৰা তাক ব্যৱহাৰ সদায় সঠিক।
নহ'লে জীৱন হ'ব ধিক ধিক ধিক ॥

('গণ অধিকাৰ', ২২ জুলাই, ২০১৭)

১৮ বাপুটি গাঁৱলৈ যায়

বাপুটিৰ দেউতাকে নগৰত কাম কৰে
বিহুয়ে-সংক্ৰান্তিয়ে গাঁৱলৈ যায়,
উছাহত মন ভৰে মন উৰোঁ উৰোঁ কৰে
বাপুটিৰ কেনে মজা, গাঁও গৈ পায়।
ইঘৰ-সিঘৰ ফুৰি টলৌ টলৌ কৰি
টোপনি, ভাগৰ, ভোক কেনিবা পলায়,
আইতাৰ সাধু শুনে শেলুক বিছাৰি খান্দে
কাঠ-আলু, কঁঠালৰ গুটি পুৰি খায়।
পুখুৰীত মাছ ধৰে নদীত সাঁতোৰ মাৰে
বল খেলে, পথাৰত চিলাও উৰায়,
ভুঁই ৰুব'লেও যায় বোকা খেলি ভাল পায়
জোক লাগিলেহে পিছে থাউনি হেৰায়।
নানা তৰহৰ পখী পৰাণ জুৰায় দেখি
জাক পাতি উৰি আহে, জাকি মাৰি যায়,
কত তৰহৰ ফুল কত ৰকমৰ বোল
বাপুটিয়ে ভোল যায় ঘূৰি ফুৰি চাই।
ককাৰ কোলাত উঠি খুৰাৰ কান্ধত বহি

বাৰী-ঘৰ, পথাৰত ফুৰে; তত নাই,

খাব'লে সময় নাই শুব'লে আজৰি নাই

আম, জামু, পনিয়লে উদৰ পূৰাই ।

ঘূৰাৰ সময় হ'লে বন্ধও শেষ হ'লে

চকুলো বাগৰে তাৰ দুগাল তিয়াই,

মন যায়, থাকি যাব গাঁৱতে ডাঙৰ হ'ব

ইমান আনন্দযে নগৰত নাই !

('মৌচাক'; মে'ই, ২০১৬)

১৯ পকা কঁঠালৰ সোৱাদ

বয়স পিলিঙা তাৰ, এলেহুৱা দেহা,
কৰিব লাগিলে কাম দেখে তিতা-কেঁহা।
দিনটোৰ আধাখিনি টোপনিতে কাটে,
পকামূৰা বুলি তাক সকলোৱে মাতে।
হ'লেও বান্দৰ তাৰ চেহেৰা সুগঢ়ী,
বাৰীৰ কঁঠালজোপা, তাতে থাকে বহি।
আম, কল, কুহিঁয়াৰ — যি য'ত পায়,
সুবিধা পালেই নেৰে, মজা মাৰি খায়।
কামত যদিও নাই, বুধিত প্ৰখৰ,
ঠগবাজি, চুৰি, কঢ়া — সমূলি তীখৰ।
শেহৰ কঁঠাল এটা থৈছিল চাই,
পকিলে এদিন চাই খাব ফহিঁয়াই।
পিছে কিনো হ'ব কৰি অত গুণা-গঁথা,
গৰাকীৰ চকু পৰি হ'ল মহা লেঠা।
চকুৰ আগতে গৰাকীয়ে পাৰি নিলে,
পকামূৰা বপুৰাই ওঁঠ চেলেকিলে।
দুদিন-দুৰাতি বহি ভাবি-গুণি চাই,
কঁঠাল খোৱাৰ উলিয়ালেগে' উপায়।

ভিতৰত যেতিয়াই কঁঠাল পকিব,
বতাহত চাৰিদিকে সুগন্ধি ওলাব।
সুযোগ-সুবিধা বুজি ভিতৰ সোমাই,
টপা-টপ খাই ল'ব উদৰ পুৰাই।

গৰাকী অহাৰ যেবে উঠিব আৱাজ,
মনে মনে পকামূৰা পৌছিব বাজ।

যেতিয়ালে’ গৰাকীয়ে গম পাব কথা,
পাবগে’ গছৰ আগ, নাথাকিব লেঠা ।
কথা মতে কাম, যেবে কঁঠাল পকিল,
জিভাৰ যিমান পানী - সমূলি সৰিল ।
একোবাৰ খিৰিকীৰে জুমি জুমি চাই,
সোমাব খুজিলে আহি গৰাকী ওলাই ।
যেখনে দেখিলে হ’ল গৰাকী আঁতৰ,
চুপে-চাপে পকামূৰা সোমাল ভিতৰ ।
মোক-খা, মোক-খা কৰা সুগন্ধি সৰ্বত্ৰ,
লোভে কৰে বপুৰাক বিমোৰ-বিমূৰ্ত ।
পাভতিৰ ওপৰত পকিছে কঁঠাল,
‘কেনে মজা, খাই লওঁ — আজি মোৰে পাল ।’
(পিছে) নাছিলযে সুখ লিখা কপালত তাৰ,
কঁঠাল বাগৰি ভাগি হ’ল চুৰ-মাৰ ।
খাওঁ বোলোতেই তাৰে এটা-দুটা ফুটা,
গৰাকী উপস্থিত, হাতে বাঁহ-গোটা ।
বাঁহৰে পৰিল কোব কঁকালত তাৰ,
উৰি গ’ল যেন পালে প্ৰাণ বপুৰাৰ ।
মৰো-জিওঁ-সোঁ-অধিকে’ উফৰি পলাল,
নহ’লযে সিফলীয়া, ভাইগহে ভাল ।

কোনোমতে বপুৰাই সলালে উশাহ,
নকৰে কদাপি আৰু এনে মৰসাহ।
নকৰিব চুৰ আৰু ধৰিলে কাণত,
থাকিব উদং পেটে অভাৱ-ক্ষণত।
পাৰে যদি মোকোলাব দুবেলা দুসাঁজ,
এলাহ সামৰি থৈ কৰি কাম কাজ।

('মৌচাক'; অক্টোবৰ, ২০১৬)

২০ পুৱা

আইতাই শুই উঠি কাউৰী-পুৱাই,
মলখু এমুঠি লৈ দিয়ে ছটিয়াই;
আহ আহ বুলি মাতে যত পাৰ-হাঁহ,
ল'ৰি আহে, পিছে পিছে পোৱালী এবাহ।
ককা আক' উঠিয়েই গোহালিলে যায়,
গাইজনী বান্ধি লৈ গাখীৰ খীৰাই;
দমৰা-দামৰীকে'টা দিয়ে পঘা খলি,

খেদা মাৰি পঠিয়াই চৰিব'লে বুলি।
খুৰা উঠি কান্ধত হালখন লৈ,
গৰুহাল যুটি যায় হাল-বাবলৈ;
বেলি হ'লে পেহীয়ে জলপান নিব,
হাল এৰি বঁকিয়াতে খুৰা বহি খাব।
উঠিয়েই দেউতাই ধুই মুখখন,
শাকনিদৰালে গৈ চিকুণাই বন;
কোৰ মাৰে, ছটিয়াই য'ত লাগে পানী,
পুৰঠ পাচলি মাক দিয়ে ছিঙি আনি।
শুই উঠি, গা-ধুই লৰালৰিকৈ,
মাই কৰে জলপান-চাহ সবলৈ;
সকলোলে' ভাগে ভাগে ৰান্ধি-বাঢ়ি থৈ,
'টিফিনো' যোগাৰ কৰে দুপৰীয়ালৈ।
পেহীয়ে অঁতাই উঠি চোতাল-পদূলি,
বহা-কোঠা, শোৱা-কোঠা, জুই-ধৰা চালি;
গামোচাৰে জলপান-চাহ বান্ধি লৈ,
বাটকুৰি বাই লৈ যায় খুৰালৈ।
মইনাই উঠিয়েই ঠেন-ঠেন কৰে,
শুনিলেই আইতাই থপিয়াই নিয়ে;
নিচুকাই সকলোৱে মইনাক লৈ,

ভাল পায় মইনাইও ফু-ফু যাবলৈ ।
মোৰ আক’ নাযায়েই উঠিব’লে মন,
কেতিয়াবা দেউতাই কৰিলেও খং;
লাভ নাই পিছে উঠিবই চোন লাগে,
পুৱাই যে ইচকুল পাবগৈ লাগে !

(‘গণ অধিকাৰ’; ২৪ ডিচেম্বৰ, ২০১৬)

২১ ভেকোলাৰ বিয়া

শুনিছানে নাই ভেকোলাৰ বিয়া
কাজিৰঙা খদমদম,
অহা বছৰৰ ত্ৰিছ ফেব্ৰুৱাৰী
ৰাখিছানে নাই গম ?
'কাজিৰঙা বাৰ্তা'ত একপৃষ্ঠা জুৰি
ওলাইছে বিজ্ঞাপন,
কোনোটো জন্তুৰে গাত তত নাই
গছকত মৰিছে বন।
শিয়াল টেণ্টে পেণ্ডেল পাতিব
বান্দৰে অপ্যায়ন চাব,
হাতী-মোমায়ে দৰাক উঠাই
কইনাৰ ঘৰলৈ' নিব।
ঘনচিৰিকাই কাটিব তামোল
কেকোঁৰাই ধৰিব ছাতি,
কুলি ভনীটিয়ে সুৰদী মাতেৰে
আনিব আলহী মাতি।
মকৰাই বিলাব গুড়, দৈ, চিৰা
মিঠাই, বুন্দিয়া-লাড়ু,

কাউৰীয়ে আনিব পাউদাৰ-সেন্দুৰ
হৰিণাই গঢ়িব খাৰু ।
পখিলীয়ে ব'ব পাটৰ কাপোৰ
সিংহই বিয়ানাম গাব,
কইনাঘৰীয়াৰ খোৱা-বোৱাৰ ভাৰ
বাঘ-বাঘিনীয়ে ব'ব ।
বাটচ'ৰাটো সজাব ম'ৰাই
কেৰ্কেটুৱাই আনিব পাণ,
কুম্ভীৰে কৰিব পানীৰ যোগাৰ
গাহৰিয়ে গাবহি গান ।

কেঁচুয়ে গোটাব কলপাত, দোৰোণা
ফেঁচাই দাঙিব দোলা,
বগলীয়ে কৰিব নোওৱাৰ যোগাৰ
পাতসিয়াই চিলাব চোলা।
ডালশলীয়াই ওজাপালি গাব
শহাই বজাব ঢোল,
কাৰ্শলা সাপে মন্ত্ৰ পঢ়িব
চিলনীয়ে সজাব ফুল।
শেষেই নহয় যতমানে কওঁ
ভেকোলাৰ বিয়াৰ কথা,
ৰাখিবা দিনটো মনত কিন্তু
নেৰাখিবা অন্য লেঠা।

('গণ অধিকাৰ'; ৬ মে'ই, ২০১৭)

২২ ভোগালী মাহ

বৰহমপুত্ৰৰ শুকাল পানী
পাৰ হ'ল ভোগালী বিহু,
জালত পৰিল ৰাঘ-বৰালি
চাপৰিলে' জঁপিয়ালে শিহু।
আইয়ে পুৰিলে তিল-দিয়া পিঠা
খুৰীয়ে সাজিলে লাড়ু,
অপইঁতা বাঁহেৰে পুৰি চুঙা-পিঠা
খালা কোনে কোনে বাৰু ?
সুতুলী-পিঠাও সাজিলে পেহীয়ে
ভাজি থ'লে ঘিলা-পিঠা,
সান্দহ, পিঠাগুড়ি খুন্দি লৈ সাজিলে
ভাত-পিঠা, পানী-পিঠা।
পথাৰত নৰা কাটি ভেলাঘৰ
দাদাইঁতে সাজি ল'লে,
সকলোৱে মিলি ৰান্ধি-বাঢ়ি তাতে
উৰুকাৰ ভোজ খালে।
ভেলাঘৰ জ্বলাই শীতক খেদিলোঁ
বিহুৰ দিনাই পুৱা,

গাঁৱৰ ৰাইজে হৰিধ্বনি দিলে
আমিও জনালোঁ সেৱা।
কণী-যুজঁ খেলি জিকি হাঁহ-কণী
পিছদিনা 'খানা' খালোঁ,
খুৰাহঁতে পতা শুনি কড়ি-খেল
আমিও চাব'লে গ'লোঁ।
গোটেই মাঘৰ ভোগালী মাহটো
দৈ-চিৰা দগৰি খাম,
সুবিধা পালেই ওলাবা এবাৰ
মামাহঁতৰ ঘৰলৈও যাম।

('গণ অধিকাৰ'; ২৮ জানুৱাৰি, ২০১৭)

২৩ মইনাৰ সপোন

পঢ়াৰ মেজত বহি মইনাই ভাবে,
মেঘবোৰ উৰি-ঘূৰি ক'ৰপৰা আহে ?
বতাহৰ বোকোচাত উঠি ক'লৈ যায়,
নাথাকে এঠাইত ৰৈ, কিয় জানো পায় !
মন গ'লে উৰি ফুৰি দেশ-দেশান্তৰ,
নালাগেনে সিহঁতৰ অকণো ভাগৰ ?
সোধাত এদিন ক'লে দেউতাই খুলি,
পানীৰ পৰাই মেঘ হয়গৈ বুলি।
ৰ'দত পানীৰ ভাপ ওপৰলৈ উৰে,
ওপৰত চেঁচা পৰি তাতে গোট মাৰে।
সেয়াই ডাৱৰ হৈ আকাশত উৰে,
বতাহৰ বোকোচাত উঠি উৰি ফুৰে।
মইনাই ভাবে, তেনে হ'ব যেবে বৰ,
দেউতাৰ দৰে ওখ, শকত-ডাঙৰ।
ওখকৈ পাহাৰ এটা উলিয়াব চাই,
অকলে অকলে গৈ উঠিব বগাই।
খুন্দিয়াব তাতে আহি বতাহত উৰি,
শুধ বগা ডাৱৰৰ চপৰা-চপৰি।

চাই ল'ব মইনাই তাৰে এচপৰা,
গোট মৰা ডাৱৰৰ ডাঙৰ টুকুৰা।
উঠি ল'ব জঁপিয়াই তাৰ ওপৰত,
বহি ল'ব ভালকৈ মহা আৰামত।
ডাৱৰত উঠি, বতাহত উৰি যাব,
যিমান দূৰলে' পাৰে, ঘূৰি ফুৰি চাব।

অৰণ্য, নগৰ, নদী, হ্রদ, জুৰি, বিল,
ফুল, পাত, জন্তু, পক্ষী, গছ, পানী, শিল।
চৌদিশ চাই চাই নয়ন জুৰাব,
কিযে মজা হ'ব, ৰঙে হৃদয় ভৰিব।
পিছে এটা কথা মাথো মইনাই ভাবে,
ডাঙৰ হ'বলে' অত দিন কিয় লাগে?
পাৰিলেহেঁতেন যদি খৰ-তকীয়াকে'
দেউতাৰ দৰেকৈ ডাঙৰ হ'বলে'।
পাৰিলেহেঁতেন তেনে উঠি সোনকালে',
ডাৱৰৰ বোকোচাত পৃথিৱী চাবলে'।
তথাপিও মইনাও বাৰু বাট চাব,
ডাঙৰতো এদিন চাগে' সঁচাকৈয়ে হ'ব!

('গণ অধিকাৰ'; ১০ ডিচেম্বৰ, ২০১৬)

২৪ মাছৰ লোভত

মাছৰ গোন্ধ -
কোনে পায় !
নোৱাৰোঁ ৰাখিব পাই
তাতে কেঁচা নহয়, ভজা,
কেনে মজা !
লেলাৱটি বৈ যায় ।

কোঁৱাৰি চেলেকি তাই
দিয়ে নেকি দলিয়াই
নালাগে একোকে আৰু
বৈ থাকে বাট চাই
এডোখৰ সৰু চাই
হৈ যাব আজি ভাই ।

নোৱাৰি থাকিব আৰু
জোৰেৰে যিমান পাৰি
যদিহে মৰম কৰি
মুখত লৈয়েই যাব
কোনেও নেদেখাকৈ
উগাৰি-উগাৰি খাব
পিছদিনা চেলেকিব
এসপ্তাহমানলৈ !
ওচৰলৈ চাপি গ'ল
মেও মেও কৰি কৰি;
দিয়ে এটুকুৰা !
ভঁৰালৰ তললৈ,
আন্ধাৰত বহি লৈ
কাঁইটডাল সাঁচি থ'ব
হ'ব তাৰে চলি যাব

(পিছে) বিধিয়ে নিদিলে হায় !

গৃহিণীৰ ডাবি শুনি আঁতৰিল ভয় খাই
সুৰ-সুৰ কৰি, চুকত থাকিল বহি
চুপ-চাপ ভাবি-গুণি সুবিধা পালেই তাই
লৈ যাব থপিয়াই এডোখৰ ভাল চাই
নহ'লে উপায় নাই কৰোঁ আজি চুৰি ।

কেৰাহী নমাই থৈ
আঁতৰিল বাজলৈ
সোণালী সুযোগ পাই
দিলে তাই থপিয়াই
কিন্তু, কিযে হ'ব হায়!
ঘটং-মটং কৰি
কেৰাহী উঠিল বাজি!
লগে-লগে ফলা-খৰি
পিঠিত আহিল পৰি
চকুৰে আন্ধাৰ দেখি
প্ৰাণটাকি লৰ মাৰি
বচালোঁ জীৱন।
এৰাল পিঠিৰ ছাল
বাচিলোঁ; কপাল ভাল,
কাহানিও নবঢ়াওঁ
এনুৱা জঞ্জাল !!

('সঁফুৰা'; মে'ই, ২০০২)

২৫ ওলট-পালট দহটা পদ্য

(১)

হাতী হাতী হাতী,
কোনে জানো হাতীক দিলে মস্ত এটা বাতি!
বাতি লৈ হাতী ঘূৰে নাই দিন ৰাতি,
লাগে হেনো হাতীক অকণ গবূৰ ঘিঁউ খাঁটি।
যাকে পায় খোজে তাকে বাতি পাতি পাতি,

খায় হেনো দুচামুচকৈ শোৱাৰ আগত ৰাতি।
ঘিঁউ খালে মূৰত হেনো নল'লেও ছাতি,
চৌফলীয়া ৰ'দতো হেনো নাযায় টিকা ফাটি।
ঘূৰি ফুৰোঁতেই ঘৰ উঁৰলিল নল'লে তাকো বাটি,
কোৱাহে শুনিছোঁ — এতিয়া হেনো য'তে ৰাতি ত'তে কাতি।

(২)

বাঘ বাঘ বাঘ,
গিলিবলৈ লাগে হেনো দিনে এটা ছাগ।
ভেলাঘৰত ভোজ খাই পাতে বিহু মাঘ,
ৰঙালীত বিহু নাচে মূৰত মাৰি পাগ।
চৰিত্ৰত নাই হেনো সমূলিও দাগ,
নিগনি দেখিলেহে সাত জাঁপ মাৰে, চিঞৰে, "পলা, ভাগ।"

(৩)

ভালুক ভালুক ভালুক,
খাই হেনো ভাল পাই পাৰৰ মাংসৰ জালুক।
বিহাৰলৈ যাব ভালুক, লগ পাব লালুক,
দিয়ে যদি যাঁচি, তেন্তে চলাবও হেনো তালুক।

(৪)

শহা শহা শহা,
ঘৰত কুটা এগছো নোছোৱে মস্ত পেটপোহা।

নাযায় শহা ইচকুললৈও, ভাল নাপায় পঢ়া,
ফাঁকি মৰাত বিৰাট ওস্তাদ ধুৰন্ধৰ পিছে মহা।
বাপেকে ক'লে, 'খেতিকে কৰোঁ, মাটিখিনিকে চহা',
কামৰ ভয়ত শহা পলাই পালেগৈ হেনো ৰহা।

(৫)

গৰু গৰু গৰু,
যাৰ নাউ গৰু হেনো সবাতোকৈ সৰু।
ঘৰতে ঘৰতে কাজিয়া কৰি ভগাই খাই চৰু,
নেগুৰ দাঙি পলাই দেখি হালোৱাৰ হাতত লৰু।

(৬)

পৰুৱা পৰুৱা পৰুৱা,
দেখি দেখি হৈ পৰিল একেবাৰেই ঘৰুৱা।
পুৰি খাই টকালি পাৰে সৰু বেঙেনা খৰুৱা,
হাতত নাই টকা-সিকা, শুনিছোঁ সমূলি ধৰুৱা।

(৭)

পাণ্ডা পাণ্ডা পাণ্ডা,
কামৰ নাই 'ক'টোও মাথোন খোৱাৰ ধাণ্ডা।
হাতত লৈ ফুৰে হেনো মস্ত এডাল দাণ্ডা,
গাও ধোৱে হেনো কম্বল মেৰিয়াই, নহ'লে লাগে ঠাণ্ডা।

কাঠ-মিস্ত্ৰীৰ যোগালি কৰে, নাজানে ধৰিব ৰাণ্ডা,
বিচাৰি গৈছিলোঁ, চিধাচিধি ক'লে, নিদিয়ে বিহুৰ চান্দা।

(৮)

ফেঁচা ফেঁচা ফেঁচা,
খায় হেনো ভাল পায় চাহ চেঁচা চেঁচা।
ভাল পায় আৰু হেনো টেঙা আম কেঁচা,
ফটাফট কাটিব পাৰে সূতা নেচা নেচা।

(৯)

বান্দৰ বান্দৰ বান্দৰ,
শেষ নাই বান্দৰ ভায়াৰ দুই নম্বৰী কাণ্ডৰ ।
পলাই সাৰিল কামুৰি কামুৰি ৰচী ছিঙি ফান্দৰ,
খং উঠি গছত উঠালেগৈ দাঙি গুড়ৰ ভাণ্ডৰ ।

(১০)

চৰাই চৰাই চৰাই,
ক'তযে কেতিয়া ঘূৰি ফুৰে নেজডাল লৰাই লৰাই !
পিঠাগুড়ি বেয়া পায় খায়, বিচাৰি ফুৰে কড়াই,
কামলৈ বুলি নকৰে হেলা, কৰে নোৱাৰাই পৰাই ।
দৈ-গুড় সানি এবাতি কড়াইৰে পেটতো ল'লে ভৰাই,
ৰাই-ৰুই নকৰে, ভুঁই ৰোৱে চাবা কেনেকৈ' দৰাই দৰাই ।

(অপ্ৰকাশিত)

২৬ বৰ লোক

শুনা শুনা শুনা,
ভাইটিয়ে সি-ব হেনো মস্ত এটা মোনা।
খুজি খুজি জোনবাইক লাগিছে আমনি,
সেয়ে হেনো সি ল'ব নিজে কাপোৰ কিনি।
সাঁচি যাব টকা-সিকা যেবে যিটো পাৰে,

মায়ে দিয়ে হাত-খৰছ, যি পাৰে বচাই তাৰে।
তাৰে হেনো কিনি ল'ব মস্ত এটা হাতী,
হাতীৰ পিঠিত উঠি ফুৰিব ওৰে দিনে-ৰাতি।
শুনিছে সি হাতীৰ পিঠিত যিজন উঠিব পাৰে,
বৰ লোক হয়, সকলোৱে তেওঁক সন্মান-সমীহ কৰে।
সেই কাৰণেই হাতী কিনিবলৈ ভাইটিয়ে গোটাব ধন,
হাতীৰ পিঠিত বৰ লোক হৈ উঠিবৰ আছে মন।
যিমান বুজাওঁ নুবুজে ভাইটিয়ে হাতীৰ দৰকাৰ নাই,
পঢ়া-শুনা কৰি ভাল মানুহ হ'লে সবাৰে সন্মান পায়।
জ্ঞানৰ সমান ধন নাই একো কদাপি নহয় ক্ষয়,
কোনেও নোখোজে জুয়েও নোপোৰে চোৰেও কাঢ়ি নলয়।
ভাইটিক পালে তোমালোকৰ ফালে বুজাবাচোঁ বহুৱাই,
হাতীৰ চিন্তা এৰি যেন ভালকে' পঢ়া-শুনা কৰি যায়।
জানা তোমালোকে জ্ঞানীৰ দৰে বৰ লোক কোনো নাই,
বিলোৱা পাৰিলে জ্ঞানৰ পোহৰ অন্ধকাৰ আঁতৰাই।

('গণ অধিকাৰ'; ৭ ডিচেম্বৰ, ২০১৭)

মইনাহঁতলৈ এঋুকি পদ্য

ড° বসন্ত কুমাৰ বৰা

এই কিতাপখন ৰ মূল্য নিৰ্ধাৰণ কৰা হোৱা নাই। আপুনি সম্পূৰ্ণ বিনামূল্যে কিতাপখন লাভ কৰিব পাৰে। যদিহে কিতাপখন প্ৰস্তুত কৰাৰ বাবে লেখকে কিছু মূল্য লাভ কৰা উচিত বুলি ভাবে, অনুগ্ৰহ কৰি তলৰ উপায়বিলাকেৰে লেখকক যোগাযোগ কৰিব পাৰিব। ধন্যবাদ।

ইমেইল: basantabora@gmail.com

হোৱাট্‌চএপ/ ফ’ন: ০৮০১১০৫০২৯৯

(কিতাপখন সম্পৰ্কে আপোনালোকৰ মতামতো এনেকৈ দিব পাৰিব।)

মইনাহঁতলৈ একুঁকি পদ্য
(Moinahotoloi Ekuki Padya)

• মইনাহঁতৰ বাবে সহজ পদ্য-পুথি। এখন ই-বুক।
(A collection of Assamese easy-to-read poems for children. An e-book.)

• ড° বসন্ত কুমাৰ বৰা
(Dr. Basanta Kumar Borah)

• সৰ্বস্বত্ব: লেখকৰ
(Copyright: Author's)

•আগষ্ট, ২০২০
(August, 2020)

• প্ৰচ্ছদ, অলংকৰণ / অংগসজ্জা, ছেটিং: লিখকৰ
(Cover, design, setting: Author's)

• ত্ৰি-ব প্ৰকাশন , যোৰহাট ১৩, অসম
(Tri-Bo Prakashan, Jorhat 13, Asom)

• মূল্য: ক্ৰেতা নিৰ্ধাৰিত
(Price: Purchaser-determined)